**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 05-07-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::

গুৱাহাটীৰ ৰুক্মিনীগাঁৱৰ নৱনিৰ্মিত উৰণ সেতুখন মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাইলৈ সন্ধিয়া উদ্বোধন কৰিব। সামাজিক মাধ্যমযোগে আজি মুখ্যমন্ত্ৰীগৰাকীয়ে এই কথা সদৰি কৰে। তেওঁ লগতে কয়, যে ৰুক্মিনীগাঁৱৰ ডাউন টাউনৰ আৰু ছুপাৰ মাৰ্কেটৰ উৰণ সেতুখন কামৰূপৰ ৰজা ভগদত্ত নামেৰে নামকৰণ কৰা হ'ব। এই উৰণ সেতুখনে ছয়মাইল, ডাউন টাউন, ৰুক্মিনীগাঁৱৰ যান-জট লাঘৱ কৰিব বুলি আশা কৰা হৈছে।

০০০০

অহা বছৰ জানুৱাৰীৰ পৰা মহানগৰীৰ জি এছ ৰোডৰ ২৩ আৰু ৩৬ নম্বৰ পথত কেৱল বিদ্যুৎ আৰু চি এন জি বাছহে চলাচল কৰিব পাৰিব। এই সন্দৰ্ভত আজি আঞ্চলিক পৰিবহন প্ৰাধিকাৰীৰ  সচিব আৰু সহকাৰী পৰিবহন আয়ুক্ত তামচিন আফতাবৰ তত্বাৱধানত কামৰূপ মহানগৰ জিলা পৰিবহন বিষয়াৰ কাৰ্যালয়ত এখন সভা অনুষ্ঠিত হয়। ইয়াৰ ফলত জি এছ ৰোডৰ ২৩ আৰু ৩৬ নম্বৰ পথ দুটা সম্পূৰ্ণ গ্ৰীন ৰোড অৰ্থাৎ সেউজ পথ হিচাপে পৰিগণিত হ'ব। সচিব তামচিন আফতাবে এই দুটা পথত চলা ডিজেল চালিত বাছসমূহ জানুৱাৰী মাহৰ আগতে মহানগৰীৰ আন পথলৈ স্থানান্তৰিত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ বাহনৰ গৰাকীৰ প্ৰতি আহ্বান জনায়। অৱশ্যে এই দুটা পাছত যদি কোনো বাহন চলাব বিচাৰে তেন্তে সেইসমূহ বাহনত চি এন জি সংযুক্ত কৰিব  লাগিব। যান-জট হ্ৰাস কৰাৰ লগতে প্ৰদূষণমুক্ত পথ হিচাপে সকলো শ্ৰেণীৰ লোকৰ যাতায়াত সুৰক্ষিত আৰু পৰিবেশ অনুকুল কৰাৰ উদ্দেশ্যে এনে সিদ্ধান্ত গ্ৰহণ কৰা  হৈছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০

ডিব্ৰুগড় মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ ৬২ সংখ্যক  প্ৰতিষ্ঠা দিৱস আজি দিনযোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। এই উপলক্ষে প্ৰতিষ্ঠা দিৱসৰ পতাকা উত্তোলন, স্মৃতি তৰ্পন, বক্তৃতানুষ্ঠান আদি অনুষ্ঠিত হয়।

০০০০

মৰিগাঁও জিলা প্ৰশাসন আৰু জিলা সাংবাদিক সন্থাৰ উদ্যোগত আজি বিশেষ চিকিৎসা শিবিৰৰ আয়োজন কৰা হয়। মৰিগাঁও জিলা আয়ুক্ত অনামিকা তিৱাৰীয়ে এই শিবিৰটো মুকলি কৰে। মৰিগাঁও সাংবাদিক সন্থাৰ কাৰ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে আয়োজিত এই শিবিৰত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ ১০গৰাকী অভিজ্ঞ চিকিৎসকে সেৱা আগবঢ়ায়।

০০০০

ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই আজি কলিয়াবৰ সমষ্টিৰ অন্তৰ্গত আমবাগানত ৰাজ্যৰ কৃষি বিভাগৰ গ্ৰামোন্নয়ন পুঁজি আঁচনিৰ অধীনত নিৰ্মাণ কৰিবলৈ লোৱা জ্ঞান কেন্দ্ৰ আৰু প্ৰশিক্ষণ ভৱনৰ আধাৰশিলা স্থাপন কৰে। অনুষ্ঠানত কলিয়াবৰৰ সমজিলা আয়ুক্ত ৰাজ বৰুৱা, জিলা কৃষি বিষয়া, কৃষি উন্নয়ন বিষয়াৰ লগতে বিভাগীয় বিষয়াসকল উপস্থিত থাকে।

০০০০

মহানগৰীৰ নক্ষত্ৰ প্ৰডাকচন-গোষ্ঠীৰ উদ্যোগত সদৌ অসম ভিত্তিত দশম বাৰ্ষিক গ্ৰীষ্মকালিন অভিনয়, নৃত্য আৰু সাহিত্য চৰ্চাৰ কৰ্মশালাৰ আয়োজন কৰা হৈছে। অহা ১৭ জুলাইৰ পৰা ২৪ জুলাইলৈ গুৱাহাটীৰ দূৰ্গাসৰোবৰ বিদ্যাপীঠ প্ৰাঙ্গনত পুৱা ১০ বজাৰ পৰা বিয়লি ৪ বাজি ৩০ মিনিটলৈ প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। বিশিষ্ট অভিনেত্ৰী চেতনা দাস, বিশিষ্ট অভিনেতা গুণাকৰ দেৱগোস্বামী, সত্যেন শৰ্মা, মৃণাল হালৈ, উজ্বলা বৰ্মন, মনীষা শৰ্মা, জুলি বৰা, জিণ্টু নেৱাৰ, প্ৰীতম বৰুৱা, হেৰাম্ব শৰ্মা সমল ব্যক্তি হিচাপে কৰ্মশালাটোত উপস্থিত থাকিব। কৰ্মশালাটোৰ বাবে আবেদন পত্ৰ জমা দিয়াৰ শেষ তাৰিখ ১৫ জুলাই।

০০০০

ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাই যোৱা ২ জুলাইৰ পৰা খেলুৱৈসকলৰ বাবে আয়োজন কৰা গ্ৰীষ্মকালীন ৪ দিনীয়া শিবিৰৰ আজি সামৰণি পৰে। খেল পথাৰত এগৰাকী খেলুৱৈয়ে নিজকে মানসিকভাৱে প্ৰস্তুত কৰিবলৈ কেনেধৰণৰ পৰিকল্পনা কৰিব লাগে, সেই বিষয়ে খেলুৱৈসকলক প্ৰশিক্ষণ দিয়া হয়। এই শিবিৰত অসম ক্ৰিকেট সন্থাৰ স্বীকৃতিপ্ৰাপ্ত মানসিক শক্তি বৃদ্ধিৰ বিশেষজ্ঞ তথা মনোবিজ্ঞানী ত্ৰিবেনী ভট্টাচাৰ্য্য সমল ব্যক্তি হিচাপে উপস্থিত থাকে। আজিৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণকাৰী প্ৰায় ৭০ গৰাকী খেলুৱৈক প্ৰমান পত্ৰ প্ৰদান কৰা হয়।

০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত জাপানীজ এনকেফেলাইটিছৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পোৱাৰ বাতৰি পোৱা গৈছে। কামৰূপ জিলাত এই ৰোগত আক্ৰান্ত হৈ চাৰিগৰাকী লোকে প্ৰাণ হেৰুৱাইছে আৰু চাৰিজন লোক চিকিৎসাধীন হৈ আছে। যোৰহাট জিলাত এই ৰোগত এজন ১৬ বছৰীয়া কিশোৰৰ মৃত্যু হৈছে। বৰ্তমানলৈকে যোৰহাট চিকিৎসা মহাবিদ্যালয়ত এনকেফেলাইটিছত আক্ৰান্ত হৈ দুজন লোকৰ মৃত্যু হোৱা বুলি আমাৰ যোৰহাটৰ সংবাদদাতাই জনাইছে। জাপানীজ এনকেফেলাইটিছত আক্ৰান্ত হৈ মাজুলীত এটি শিশুৰ মৃত্যু হৈছে। জিলাখনত এইপৰ্যন্ত ছজন লোক এই ৰোগত আক্ৰান্ত হৈছে। শিৱসাগৰ জিলাত যোৱা এপ্ৰিলৰ পৰা বৰ্তমানলৈকে শিশুসহ ১০জন লোক জাপানীজ এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হৈছে।

০০০০

এজবেষ্টন টেষ্টত ভাৰত শক্তিশালী স্থিতিত উপনীত হৈছে। এণ্ডাৰছন-তেণ্ডুলকাৰ ট্ৰফীৰ বাবে অনুষ্ঠিত টেষ্ট মেচখনৰ আজি চতুৰ্থ দিনা আলহী দল ভাৰতে কালি এটা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৬৪ ৰাণৰ পৰা খেল আৰম্ভ কৰি আমালৈ বাতৰি অহাৰ পৰলৈকে ৪টা উইকেট হেৰুৱাই দ্বিতীয় ইনিংছত ৪১০ ৰাণ সংগ্ৰহ কৰিছে। ভাৰত সামগ্ৰিকভাৱে ইংলেণ্ডতকৈ ৫৯০ ৰানৰ অগ্ৰগতি লাভ কৰিছে। ইংলেণ্ডে চতুৰ্থ ইনিংছত প্ৰায় ৬০০ ৰানৰ কঠিন লক্ষ্য অনুসৰণ কৰিব লাগিব। অধিনায়ক শুভমন গীলে ১৬১ ৰান কৰি বেট ধৰি আছে।

০০০০

ঃঃ সমাপ্ত ঃঃ